**[২০১০] এচ চি আৰ ৪০২**

**বাহাদুৰ সিং**

**বনাম**

**হাৰিয়াণা চৰকাৰ**

**[বিশেষ অনুমতি আৱেদন [ফৌজদাৰী] নম্বৰ ৫৫২৩/২০০৯]**

**৬ এপ্রিল, ২০১০**

**[ন্যায়ধীশ আলটামাছ কবিৰ আৰু ন্যায়াধীশ চিৰিয়েক যোচেফ]**

মাদক দ্রব্য আৰু মনোৰোগ সৃষ্টিকাৰী পদাৰ্থ আইন, ১৯৮৫- ধাৰা ৪২আৰু ৫৭- অভিযুক্তৰ ঘৰৰ/চৌহদৰ পৰা নিষিদ্ধ সামগ্ৰী উদ্ধাৰ কৰা হৈছিল, চাবিপাত অভিযুক্তৰ লগত আছিল – নিম্ন আদালতৰ দ্বাৰা দোষী সাব্যস্ত কৰা হৈছে – ধাৰা ৪২ আৰু ৫৭ মানি নচলা / অমান্য কৰা বুলি যুক্তি দৰ্শোৱা হয়– বিবেচনা কৰা হয় যে যদিহে অভিযুক্তৰ লগত কোনোধৰণৰ পক্ষপাতিত্ব কৰা নহয় তেন্তে কেৱল ধাৰা ৪২ অমান্য কৰিলেই বিচাৰতো নিষ্ফল নহয়, লগতে ধাৰা ৫৭বাধ্যতামূলক নহয়। তথ্যমতে, ধাৰা সমূহৰ বিধানসমূহ মানি চলা হৈছিল। নিষিদ্ধ সামগ্ৰীখিনি অভিযুক্তৰ দখলত পোৱা হয়।

গোপন তথ্যৰ ভিত্তিত আৰক্ষীয়ে আবেদনকাৰী - অভিযুক্তৰ ঘৰত তালাচী চলাইছিল। তদন্তত প্ৰকাশ পায় যে এটা তলা বন্ধ কোঠাত তেওঁ ছয় বেগ আফিং লুকাই থৈছিল আৰু কোঠাৰ ছাবি তেওঁৰ লগতে আছিল। তেওঁ কোঠাটো খোলাত ছয় বেগ নিষিদ্ধ সামগ্ৰী উদ্ধাৰ কৰা হৈছিল। বিচাৰ আদালতে তেওঁক দোষী সাব্যস্ত কৰে। উচ্চ ন্যায়ালয়েও এই ৰায় বাহাল ৰাখে যদিও শাস্তিৰ ম্যাদ কমাই দিয়ে।

বিশেষ অনুমতি আবেদনখনত আবেদনকাৰী– অভিযুক্তজনে যুক্তি আগবঢ়াই যে নিষিদ্ধ সামগ্ৰীখিনি জ্ঞাত ভাৱে তেওঁৰ দখলত থকা বুলি কব পৰা নাযায় আৰু যিহেতু মাদক দ্রব্য আৰু মনোৰোগ সৃষ্টিকাৰী পদাৰ্থ আইন, ১৯৮৫ৰ ৪২ আৰু ৫৭নং ধাৰা সমূহ মানি চলা হোৱা নাই, সেয়েহে এই বিচাৰ গ্ৰহণযোগ্য নহয়।

আবেদনখন খাৰিজ কৰি আদালতে এই মত পোষণ কৰে যেঃ

১,১ মাদক দ্ৰব্য আৰু মনোৰোগ সৃষ্টিকাৰী পদাৰ্থ আইন, ১৯৮৫ ৰ ৪২ নং ধাৰাৰ বিধানসমূহ মানি নচলাৰ বাবে বিচাৰ এটাৰ ক্ষতি নহয় যদিহে ই অভিযুক্তৰ প্ৰতি একো পক্ষপাতিত্ব কৰা নাই। তাৰোপৰি, ধাৰা ৪২ সম্পূৰ্ণৰূপে মানি চলা হৈছে নে নাই এই তথ্যগত প্ৰশ্নটোৰ সিদ্ধান্ত প্ৰত্যেকটো গোচৰতে লব লাগে। [দফা ১৩] [৪১০- এ-বি]

১.২ প্ৰযুক্তিবিদ্যাৰ উন্নতি আৰু তথ্যৰ দ্ৰুত বিনিময়ৰ সুবিধাৰ বাবে এন ডি পি এচ আইনৰ ধাৰা ৪২কে ধৰি কিছুমান বিধান পৰিৱৰ্ত্তিত প্ৰেক্ষাপটত পঢ়িব লগা হৈছে। ধাৰা ৪২ৰ বিধান সমূহ মানি চলাত পলম হ'লে অপৰাধীয়ে পলায়ন কৰিব পাৰে বা নিষিদ্ধ সামগ্ৰীখিনি আঁতৰাই পেলাব পাৰে, কিন্তু যদিহে লাভ কৰা তথ্য পৰৱৰ্তী সময়ত উৰ্দ্ধতন বিষয়ালৈ প্ৰেৰণ কৰা হয় তেন্তে যথেষ্ট পৰিমাণে মানি চলা হ'ব। [দফা ১২] [৪০৯-চি-ডি]

১.৩ এই চলিত গোচৰটোত তদন্তকাৰী বিষয়াজন সেই স্থানত উপস্থিত হোৱাৰ লগে লগে এটা বেতাঁৰ বাৰ্তা তেওঁৰ তাৎক্ষণিক উৰ্দ্ধতন বিষয়াজনলৈ প্ৰেৰণ কৰে আৰু নিষিদ্ধ সামগ্ৰীখিনি উদ্ধাৰৰ পিছত সকলো তথ্য আৰু পৰিস্থিতি সন্নিৱিষ্ট এখন ৰুকা উদ্ধাৰ স্থানৰ পৰা থানালৈ প্ৰেৰণ কৰে য'ত প্ৰথম তথ্য প্ৰতিবেদন (FIR) পঞ্জীয়ন কৰা হৈছিল আৰু তাৰ প্ৰতিলিপি এলেকা দণ্ডাধীশলৈ আৰু উৰ্দ্ধতন আৰক্ষী বিষয়া সকললৈও প্ৰেৰণ কৰা হৈছিল। সেয়েহে এন ডি পি এচ আইনৰ ৪২নং ধাৰা সম্পূৰ্ণৰূপে মানি চলা হৈছিল আৰু অভিযুক্তৰ প্ৰতি কোনোধৰণৰ পক্ষপাতিত্ব হোৱা দেখা নাযায়, গোপন তথ্য লিখিত ৰূপত প্ৰকাশ নকৰা আৰু তৎক্ষণাত সেইখিনি উৰ্দ্ধতন বিষয়ালৈ নপঠোৱাৰ বাবে। [দফা ১২] [৪০৯-ই-এইচ]

কৰ্ণাইল সিং বনাম হাৰিয়াণা চৰকাৰ [২০০৯] ৮ এচ চি চি ৫৩৯, অনুসৰণ কৰা হৈছিল।

পাঞ্জাব চৰকাৰ বনাম বলবীৰ সিং [১৯৯৪] ৩ এচ চি চি ২৯৯; নিৰ্ভৰ কৰা হৈছিল।

সাজন আব্ৰাহাম বনাম কেৰেলা চৰকাৰ [২০০১] ৬ এচ চি চি ৬৯২, নিৰ্ভৰ কৰা হৈছিল।

ৰাজহ সঞ্চালকালয় আৰু এজন বনাম মহম্মদ নিছাৰ হোলিয়া [২০০৮] ২ এচ চি চি ৩৭০;

আব্দুল ৰছিদ ইব্ৰাহীম মনচুৰী বনাম গুজৰাট চৰকাৰ [[২০০০] এচ চি চি [ফৌ] ৪৯৬ ], উল্লেখ কৰা হৈছিল।

২] এন ডি পি এচ আইনৰ ৫৭ নং ধাৰাৰ বিধানসমূহ মানি চলাতো বাধ্যতামূলক নহয় আৰ যিয়েই নহওক কিয় আবেদনকাৰীৰ গ্ৰেপ্তাৰৰ তথ্য আৰু নিষিদ্ধ সামগ্ৰী জব্দ কৰাৰ বিষয়ে স্থানীয় আৰক্ষী থানাত যথাযথভাৱে জনোৱা হৈছিল যাৰ ভিত্তিত প্ৰথম তথ্য প্ৰতিবেদন প্ৰস্তুত কৰা হৈছিল। [দফা ১৪ [৪১০ - বি - চি ]

৩] নিষিদ্ধ সামগ্ৰীখিনি আবেদনকাৰীৰ জ্ঞাত দখলত পোৱা নাই বুলি কোৱাটো সঠিক নহ'ব এই কাৰণে যে ছটা বেগ যাৰ প্ৰতিটোতে ৩২ কিলোগ্ৰাম আফিং আছে সেইখিনি কেৱল আৱেদনকাৰীৰ ঘৰৰ পৰা জব্দ কৰাই নহয়, লগতে সেই কোঠাটোৰ পৰাও জব্দ কৰা হয়, যিটো আৱেদনকাৰীয়ে নিজৰ দখলত থকা চাবিৰে খুলিছিল। [দফা ১৫] [৪১০- ডি-ই]

উল্লেখ কৰা নিৰ্ণয় বিধি সমূহ

| | | |
|---|---|---|
| [২০০৮] ২ এচ চি চি ৩৭০ | উল্লেখ কৰা হৈছে | ডফা ৪ |
| [২০০০] এচ চি চি [ফৌ] ৪৯৬ | উল্লেখ কৰা হৈছে | ডফা ৫ |
| [২০০১] ৬ এচ চি চি ৬৯২ | নিৰ্ভৰ কৰা হৈছে | ডফা ১২ |
| [২০০৯] ৮ এচ চি চি ৫৩৯ | অনুসৰণ কৰা হৈছে | ডফা ১৩ |

ফৌজাদাৰী আপীল ক্ষেত্ৰাধিকাৰঃ এচ এল পি [ফৌজাদাৰী] নং ৫৫২৩/২০০৯

ফৌজাদাৰী আপিল নং ১০৭-ডি বি/২০০০ ত চণ্ডীগড়ত অৱস্থিত পাঞ্জাব আৰু হাৰিয়াণা উচ্চ ন্যায়ালয়ে ১২-০৪-২০০৯ তাৰিখে প্ৰদান কৰা ৰায় আদেশৰ পৰা

আৰ. কে. টলৱাৰ, য়াচ পাল ধিংৰা, আবেদনকাৰীৰ হকে ।

ৰাও ৰঞ্জিত, উত্তৰদাতাৰ হকে ।

ন্যায়ালয়ৰ ৰায়তো ন্যায়াধীশ আলটামাছ কবীৰৰ দ্বাৰা প্ৰদান কৰা হয়ঃ

ন্যায়াধীশ আলটামাছ কবীৰ,

১] আবেদনকাৰীক ১৯৮৫ চনৰ মাদক দ্ৰব্য আৰু মনোৰোগ সৃষ্টিকাৰী পদাৰ্থ আইন [ইয়াৰ পিছত এনডিপিএছ আইন বুলি কোৱা হ'ব]ৰ ১৫ নং ধাৰাত শাস্তিযোগ্য অপৰাধৰ বাবে দোষী সাব্যস্ত কৰা হয় আৰু ১২ বছৰৰ বাবে কঠোৰ কাৰাদণ্ড আৰু ১ লাখ টকা জৰিমনা বিহা হয়। আৰু উক্ত জৰিমনা পৰিশোধ নকৰিলে, অতিৰিক্ত তিনি বছৰৰ বাবে কঠোৰ কাৰাদণ্ডৰ সন্মুখীন হ'বলগীয়া হব । আবেদনকাৰীৰ বিৰুদ্ধে কোনো অনুমতি বা অনুজ্ঞাপত্ৰ অবিহনে ৩২ কিলোগ্ৰাম আফিং থকা ছটা বেগ থকা বুলি উত্থাপন কৰা অভিযোগ বিচাৰ আদালতৰ লগতে উচ্চ ন্যায়ালয়েও প্ৰমাণ কৰিছে। আবেদনকাৰীৰ হৈ হাজিৰ হোৱা বিদ্বান অধিবক্তা আৰ কে টলৱাৰে দাখিল কৰা তথ্য অনুধাৱন কৰিবলৈ গোচৰৰ তথ্য চমুকৈ উল্লেখ কৰাটো প্ৰয়োজনীয়।

২] ১৯৯৫ চনৰ ২ ডিচেম্বৰত থানেসৰ-ঝান্সা পথৰ ভৱানী খেৰাৰ আলি-কেঁকুৰিত অন্যান্য আৰক্ষী বিষয়াৰ সৈতে পৰিদৰ্শক গিয়ান সিং টহলদাৰী কৰ্তব্যত আছিল। তেওঁ এটা গোপন সম্ভেদ লাভ কৰিছিল যে এই গোচৰৰ আবেদনকাৰীজন, যিজন চিংপুৰাৰ বাসিন্দা, তেওঁ ঘৰত আফিং বিক্ৰী কৰি আছে আৰু অভিযান চলালে সেইখিনি উদ্ধাৰ কৰিব পৰা যাব। ইয়াৰ মাজতে সম্পুৰণ সিঙৰ এজন পুত্ৰ সুখদেৱ সিং সেই স্থানত উপস্থিত হোৱাত তেওঁকো স্বতন্ত্ৰ সাক্ষী হিচাপে আৰক্ষী দলৰ সৈতে সংযুক্ত কৰা হয়। ইয়াৰ পিছত আৰক্ষী দলটোৱে আবেদনকাৰীজনৰ ঘৰত অভিযান চলায় যি সময়ত তেওঁ ঘৰত আছিল আৰু জেৰাত তেওঁ প্ৰকাশ কৰে যে তেওঁ তলাবন্ধ কোঠা এটাত ঘেঁহুৰ

চোকোৰাৰ তলত ছটা বেগ লুকুৱাই ৰাখিছে আৰু চাবিটো তেওঁৰ লগত আছে। আবেদনকাৰীয়ে দিয়া বক্তব্য লিপিবদ্ধ কৰি তাত আবেদনকাৰীৰ বুঢ়া আঙুলিৰ ছাপ লোৱা হৈছিল আৰু সাক্ষীৰ দ্বাৰা প্ৰত্যায়িত কৰা হৈছিল। ইয়াৰ পিছতে গিয়ান সিঙে কুৰুক্ষেত্ৰৰ উপ-আৰক্ষী অধীক্ষকলৈ বেতাঁৰ বাৰ্তা প্ৰেৰণ কৰে আৰু তেওঁৰ উপস্থিতিত আবেদনকাৰীয়ে আৰক্ষী দলটোক উল্লেখিত কোঠাটোলৈ লৈ যায় আৰু তেওঁৰ হাতত থকা চাবিৰে তলাটো খুলি দিয়ে আৰু উক্ত কোঠাটোত ৰখা ঘেঁহুৰ চোকোৰাৰ তলৰ পৰা ছটা বেগ উদ্ধাৰ কৰা হয়, প্ৰতিটোতে ৩২ কিলোগ্ৰাম আফিং আছিল। ইয়াৰ পিছত , প্ৰয়োজন অনুসৰি , জব্দ কৰা নিষিদ্ধ সামগ্ৰীৰ পৰা নমুনা উলিয়াই বাকী থকা আফিং খিনি ছীল কৰি পৃথক উদ্ধাৰ পত্ৰৰ জৰিয়তে জিম্মালৈ নিয়ে আৰু সাক্ষীয়ে প্ৰত্যায়িত কৰে আৰু সেইখিনি ৰুকাৰ সৈতে থানালৈ প্ৰেৰণ কৰা হয় যাৰ প্ৰথম তথ্য প্ৰতিবেদন (প্ৰদশ.পিবি /১) পঞ্জীয়ন কৰা হৈছিল৷ ছাইট প্লেনো প্ৰস্তুত কৰা হৈছিল আৰু বিবৃতিসমূহ যথাযথভাৱে লিপিবদ্ধ কৰা হৈছিল। তদন্ত সম্পূৰ্ণ হোৱাৰ পিছত কুৰুক্ষেত্ৰৰ বিশেষ আদালতত যথাযথভাৱে চালান দাখিল কৰা হয়৷ এন ডি পি এছ আইনৰ ১৫ নং ধাৰাত আবেদনকাৰীৰ বিৰুদ্ধে অভিযোগ উত্থাপন কৰা হৈছিল, য'ত তেওঁ নিজকে দোষমুক্ত বুলি ঘোষণা কৰি বিচাৰৰ দাবী কৰিছিল৷ বাদী পক্ষই উত্থাপন কৰা প্ৰমাণৰ ভিত্তিত আবেদনকাৰীক অভিযোগ কৰা অপৰাধৰ বাবে দোষী সাব্যস্ত কৰা হয় আৰু পূৰ্বে উল্লেখ কৰা ধৰণে দোষী সাব্যস্ত কৰি শাস্তি প্ৰদান কৰা হয়।

৩]   দোষী সাব্যস্ত হোৱা আৰু শাস্তিৰ ৰায়দানত ক্ষুব্ধ হৈ আবেদনকাৰীয়ে উচ্চ ন্যায়ালয়ৰ সন্মুখত আপীল আবেদন কৰে ফৌজাদাৰী আপীল নং ১০৭-ডি বি ২০০০ যিটো আংশিকভাৱে গ্ৰহণ  কৰি কাৰাদণ্ডৰ শাস্তি ১২ বছৰৰ পৰা ১০ বছৰ লৈ হ্ৰাস কৰা হৈছিল। বিচাৰ আদালতৰ ৰায়ৰ বাকী অংশ একেদৰে আছিল।

৪]   আবেদনকাৰীৰ হৈ হাজিৰ হোৱা বিদ্বান অধিবক্তা শ্ৰীযুত আৰ. কে. টলৱাৰে মূলতঃ দুটা ভিত্তিত বিচাৰ আদালতৰ লগতে উচ্চ ন্যায়ালয়ৰ ৰায়দানক প্ৰত্যাহ্বান জনায় । এনডিপিএছ আইনৰ ধাৰা ৪২ আৰু ৫৭ৰ বিধানসমূহ মানি নচলাৰ বাবে গোচৰীয়

পক্ষৰ গোচৰটো ক্ষতি হোৱা বুলি তেওঁ কয়৷ তেওঁ দাবী কৰে যে পূৰ্বৰ বিভিন্ন সিদ্ধান্তত নিৰ্ধাৰণ কৰা হৈছে যে এন ডি পি এছ্ আইনৰ ৪২ নং ধাৰাৰ বিধানসমূহ বাধ্যতামূলক আৰু তদন্তকাৰী সংস্থাই একেখিনি মানি চলাত ব্যৰ্থ হ'লে তদন্ত আৰু লগতে এনে তদন্তৰ ভিত্তিত কৰা বিচাৰ প্ৰক্ৰিয়াৰ ক্ষতি হ'ব। সেই ক্ষেত্ৰত টলৱাৰ ডাঙৰীয়াই ৰাজহ সঞ্চালকালয় আৰু অন্য এজন বনাম মহম্মদ নিছাৰ হোলিয়া [(২০০৮) ২ এচ চি চি ৩৭০] নামৰ গোচৰটোত এই আদালতৰ সিদ্ধান্তৰ বিষয়ে উল্লেখ কৰি কয় যে যিজন বিষয়াই অপৰাধৰ খবৰ পাইছিল তেওঁ সেইখিনি লিখিত ৰূপত প্ৰকাশ কৰা নাছিল, কিন্তু পিছলৈ আন এজনেহে কৰিছিল । সেই কাৰণে উচ্চ ন্যায়ালয়ে সঠিক ভাৱে দোষীসাব্যস্তকৰণ নাকচ কৰে এই কাৰণে যে ধাৰা নং ৪২ ৰ বিধিগত প্ৰয়োজনীয়তা মানি চলা হোৱা নাছিল । টলোৱাৰ ডাঙৰীয়াই আঙুলীয়াই দিয়ে যে এই আদালতে উচ্চ ন্যায়ালয়ৰ ৰায়দান অক্ষুন্ন ৰাখে এন ডি পি এচ আইনৰ ধাৰা ৪২ ৰ বিধান সমূহৰ অমান্যতাৰ সেই একে ভিত্তিত।

৫] শ্ৰীযুত টলৱাৰে কৰ্ণাইল সিং বনাম হাৰিয়ানা ৰাজ্য (২০০৯) ৮ এছচিচি ৫৩৯ ত এই ন্যায়ালয়ৰ সংবিধান বিচাৰপীঠৰ সিদ্ধান্তৰ সন্দৰ্ভতো উল্লেখ কৰে, যিটো সিদ্ধান্তই ২০০১ চনৰ ২ অক্টোবৰৰ পৰা কাৰ্যকৰী হোৱা ধাৰা ৪২ সংশোধনৰ প্ৰভাৱ পৰীক্ষা কৰিছিল, যিয়ে " তাৎক্ষণিক"ৰ পৰা "৭২ ঘণ্টাৰ ভিতৰত" তথ্য প্ৰেৰণ কৰাৰ প্ৰয়োজনীয়তা সলনি কৰিছিল। বিশেষকৈ জৰুৰী পৰিস্থিতিৰ মোকাবিলা কৰাৰ বাবে চেলুলাৰ আৰু ৱায়াৰলেচ ফোনৰ উদ্ভৱ হোৱাৰ পৰিপ্ৰেক্ষিতত, ন্যায়ালয়ে আব্দুল ৰছিদ ইব্ৰাহিম মনছুৰী বনাম গুজৰাট ৰাজ্য (২০০০) আৰু সাজন আব্ৰাহাম ডি বনাম কেৰালা ৰাজ্য (২০০১) গোচৰৰ ৰায়দানৰ সমান্তৰালভাৱে এই পৰিৱৰ্তন বিবেচনা কৰিছিল। সংবিধান বিচাৰপীঠে এই সিদ্ধান্তত উপনীত হৈছিল যে ৪২ নং ধাৰা মানি চলাৰ মূল্যায়ন প্ৰতিটো গোচৰৰ নিৰ্দিষ্টতাৰ ওপৰত ভিত্তি কৰি কৰা উচিত আৰু ৪২ নং ধাৰা অমান্য কৰিলে যদি ই অভিযুক্তৰ ক্ষতি নকৰে, বিচাৰটো অবৈধ নহ'বও পাৰে।

৬]  ইয়াৰ পিছত টলৱাৰ ডাঙৰীয়াই দাবী কৰে যে আনকি এন ডি পি এছ আইনৰ ৫৭ নং ধাৰাৰ বিধানসমূহো মানি চলা হোৱা নাই, যিহেতু আবেদনকাৰীক গ্ৰেপ্তাৰ কৰাৰ পিছত আৰক্ষী কৰ্তৃপক্ষই নিৰ্ধাৰিত সময়ৰ ভিতৰত তেওঁৰ উৰ্দ্ধতন বিষয়াক সম্পূৰ্ণ প্ৰতিবেদন দিয়া নাছিল এই গ্ৰেপ্তাৰ আৰু জব্দৰ বিৰৰণ দি। টলৱাৰ ডাঙৰীয়াই দাবী কৰে যে পূৰ্বতে উল্লেখ কৰা ক্ৰুটিৰ বাবে বিচাৰ  ক্ষতিগ্ৰস্ত হৈ আছে।

৭] পূৰ্বতে উল্লেখ কৰা দুটা কথাৰ উপৰিও টলৱাৰ ডাঙৰীয়াই লগতে কয় যে আবেদনকাৰীৰ হাতত জব্দ কৰা  আফিংখিনি জ্ঞাতভাৱে তেওঁৰ দখলত নাছিল আৰু আফিং থকা বেগবোৰ তেওঁৰ চৌহদৰ পৰা উদ্ধাৰ হোৱাটোৱেই স্বয়ংক্ৰিয়ভাৱে জ্ঞাতভাৱে তেওঁৰ দখলত থকাৰ কথা প্ৰতিষ্ঠা নকৰে। টলৱাৰ ডাঙৰীয়াই দাবী কৰে যে, যিকোনো পৰিস্থিতিতেই, তদন্তকাৰী সংস্থাটোৱে ধাৰা ৪২ আৰু ৫৭ ৰ বাধ্যতামূলক বিধানসমূহ মানি চলাত ব্যৰ্থ হোৱাৰ প্ৰতি লক্ষ্য ৰাখি, আবেদনকাৰীৰ বিচাৰ আৰু তাত তেওঁৰ দোষী সাব্যস্ত হোৱা আৰু শাস্তি বিসংগতিপূৰ্ণ হৈ পৰিছে আৰু উচ্চ ন্যায়ালয়ে ভুল কৰিছিল একেখিনি কথাকে বাহাল ৰাখি ।

৮]  হাৰিয়ানা ৰাজ্যৰ হৈ হাজিৰ হৈ বিদ্বান অধিবক্তা ৰাও ৰঞ্জিত ডাঙৰীয়াই টলৱাৰ ডাঙৰীয়াৰ দাখিল কৰা তথ্য খণ্ডন কৰি দাবী কৰে যে ধাৰা ৪২ ৰ বাধ্যতামূলক প্ৰয়োজনীয়তাৰ সন্দৰ্ভত এই আদালতৰ মতামত বহু পৰিমাণে নমনীয় হৈছে বেতাঁৰ আৰু চেলফোনৰ দৰে বৈদ্যুতিক সঁজুলিৰ আবিৰ্ভাৱত। ৰঞ্জিত ডাঙৰীয়াই দাবী কৰে যে এনে বিবেচনাৰ পূৰ্বেও সাজন আব্ৰাহামৰ গোচৰত (উপৰোক্ত) এই আদালতে এই মতামত গ্ৰহণ কৰিছিল যে জৰুৰীকালীন পৰিস্থিতিত ধাৰা ৪২ ৰ বিধানসমূহ কঠোৰভাৱে মানি চলাটো সদায় সম্ভৱ নহ'বও পাৰে , কাৰণ এনে কঠোৰ অনুসৰণ কৰাত হোৱা বিলম্বই অপৰাধীক  নিষিদ্ধ সামগ্ৰী আঁতৰাবলৈ বা ঠাইৰ পৰা পলায়ন কৰাত সহায় কৰিব পাৰে , যাৰ বাবে এনে নিষিদ্ধ সামগ্ৰী উদ্ধাৰৰ বাবে কৰা যিকোনো অভিযান অৰ্থহীন হৈ পৰে। তেওঁ আঙুলিয়াই দিয়ে যে সাজন আব্ৰাহামৰ গোচৰত [উপৰোক্ত] এই আদালতে ৰায় দিছিল যে টহলদাৰী কৰ্তব্যত থকা সংশ্লিষ্ট বিষয়াজনে ধাৰা ৪২ ৰ উপ-ধাৰা [১] আৰু

[২] ৰ প্ৰয়োজনীয়তাসমূহ মানি চলাটো সম্ভৱ নাছিল, কিয়নো তেনে অৱস্থাত অভিযুক্তক ফান্দত পেলোৱাত বিলম্ব হলহেঁতেন যাৰ ফলত তেওঁৰ পলায়ন হ'ব পাৰে।

জ্ঝ] ওপৰোক্ত আইনখনৰ ৫৭ নং ধাৰা অমান্য কৰাৰ সন্দৰ্ভত ৰায় দিয়া হৈছিল যে সেইটো বাধ্যতামূলক নহয় আৰু যথেষ্ট পৰিমাণে মানি চলিলে বিচাৰৰ গোচৰটোক ক্ষতিগ্ৰস্ত নকৰে, যিহেতু এফআইআৰৰ কপিৰ লগতে অভিযুক্তৰ গ্ৰেপ্তাৰ আৰু নিষিদ্ধ সামগ্ৰী জব্দ কৰাৰ সন্দৰ্ভৰ অন্যান্য মন্তব্য সংশ্লিষ্ট বিষয়াই গোচৰ পঞ্জীয়ন কৰাৰ লগে লগে তেওঁৰ উৰ্দ্ধতন বিষয়ালৈ প্ৰেৰণ কৰিছিল। এইটো যথেষ্ট পৰিমাণে মানি চলাৰ সমান বুলি ধৰা হৈছিল আৰু এনে প্ৰতিবেদনৰ অনুপস্থিতিয়েই অভিযুক্তৰ প্ৰতি পক্ষপাতিত্ব কৰিছিল বুলি ক'ব নোৱাৰি । ইয়াৰ উপৰিও ৰায় দিয়া গৈছিল যে যিহেতু ধাৰাটো বাধ্যতামূলক প্ৰকৃতিৰ নহয়, যেতিয়া ইয়াক যথেষ্ট পৰিমাণে মানি চলা হয়, তেতিয়া ই বিচাৰৰ গোচৰটোক ক্ষতিগ্ৰস্ত নকৰে।

১০] শ্ৰীযুত ৰঞ্জিত ডাঙৰীয়াই পঞ্জাব ৰাজ্য বনাম বলবীৰ সিং [[১৯৯৪] ৩ এছচিচি ২৯৯] গোচৰত এই আদালতৰ সিদ্ধান্তৰ কথাও উল্লেখ কৰে য'ত একেধৰণৰ মতামত প্ৰকাশ কৰা হৈছিল আৰু সাজন আব্ৰাহামৰ গোচৰৰ [উপৰোক্ত] সিদ্ধান্ত লোৱাৰ সময়ত এই আদালতে এনে মতামতৰ ওপৰত নিৰ্ভৰ কৰিছিল। ৰঞ্জিত ডাঙৰীয়াই দাবী কৰে যে বিশেষ অনুমতি আবেদনত বিতৰ্কিত ৰায়দানত হস্তক্ষেপ কৰাৰ কোনো ভিত্তি আবেদনকাৰীৰ হৈ উত্থাপন কৰা হোৱা নাই৷

১১] আমি নিজ নিজ পক্ষৰ হৈ দাখিল কৰা যুক্তিসমূহ ভালদৰে বিবেচনা কৰিছো আৰু হাৰিয়ানা ৰাজ্যৰ হৈ হাজিৰ হোৱা ৰাও ৰঞ্জিত ডাঙৰীয়াই আগবঢ়োৱা যুক্তিসমূহৰ সৈতে আমি একমত৷

১২] এইটো অস্বীকাৰ কৰিব নোৱাৰি যে প্ৰযুক্তিৰ উন্নতি আৰু তথ্যৰ দ্ৰুত বিনিময়ৰ উপলব্ধতাৰ লগে লগে ধাৰা ৪২কে ধৰি এন ডি পি এছ আইনৰ কিছুমান বিধান পৰিৱৰ্তিত প্ৰেক্ষাপটত পঢ়িবলগীয়া হৈছে । সাজন আব্ৰাহামৰ গোচৰত [উপৰোক্ত] প্ৰকাশ কৰা মত যে ধাৰা ৪২ ৰ বিধান মানি চলাৰ ফলত হোৱা বিলম্বৰ বাবে অপৰাধী

পলায়ন কৰিব পাৰে বা আনকি নিষিদ্ধ সামগ্ৰী আঁতৰাই পেলাব পাৰে, তেন্তে যথেষ্ট পৰিমাণে মানি চলা হ'ব, যদিহে লাভ কৰা তথ্য হয় পৰৱৰ্তী সময়ত উৰ্দ্ধতন বিষয়ালৈ প্ৰেৰণ কৰা হয়৷ বৰ্ত্তমানৰ গোচৰটোত তৎক্ষণাত তদন্তকাৰী বিষয়াজনে সেই স্থানত উপস্থিত হৈয়ে তেওঁৰ তাৎক্ষণিক উৰ্দ্ধতন বিষয়া কুৰুক্ষেত্ৰৰ উপ-আৰক্ষী অধীক্ষকলৈ বেতাঁৰ বাৰ্তা প্ৰেৰণ কৰে, যিজন তেওঁৰ তাৎক্ষণিক উৰ্দ্ধতন বিষয়া আছিল আৰু তাৰ পিছত নিষিদ্ধ সামগ্ৰী উদ্ধাৰৰ পিছত সকলো তথ্য আৰু পৰিস্থিতি সন্নিবিষ্ট কৰা এখন ৰুকা সামগ্ৰী উদ্ধাৰৰ স্থানৰ পৰা থানালৈ প্ৰেৰণ কৰা হৈছিল য'ৰ পৰা প্ৰথম তথ্য প্ৰতিবেদন পঞ্জীয়ন কৰা হৈছিল আৰু তাৰ প্ৰতিলিপি এলেকা দণ্ডাধীশলৈ আৰু লগতে উৰ্দ্ধতন আৰক্ষী বিষয়াসকললৈও প্ৰেৰণ কৰা হৈছিল। উচ্চ ন্যায়ালয়ে নিৰ্ধাৰণ কৰাৰ দৰে, সেয়েহে, এন ডি পি এছ্ আইনৰ ধাৰা ৪২ ৰ বিধানসমূহ যথেষ্ট মানি চলা হৈছিল আৰু অভিযুক্তৰ প্ৰতি কোনো ধৰণৰ পক্ষপাতিত্ব হোৱা দেখা নগ'ল, গোপন তথ্য লিখিত ৰূপত প্ৰকাশ নকৰা আৰু তৎক্ষণাত সেইখিনি উচ্ছ বিষয়ালৈ নপঠিওৱাৰ ভিত্তিত।

১৩] সাজন আব্ৰাহামৰ গোচৰৰ [উপৰোক্ত] সিদ্ধান্তৰ উপৰিও কৰ্ণাইল সিঙৰ গোচৰত [উপৰোক্ত] সংবিধান বিচাৰপীঠৰ সিদ্ধান্তই এইটোও স্পষ্ট কৰি দিছে যে ৪২ নং ধাৰাৰ বিধান অমান্য কৰিলে বিচাৰৰ ক্ষতি নহ'বও পাৰে যদিহে অভিযুক্তৰ প্ৰতি কোনো ধৰণৰ পক্ষপাতিত্বৰ সৃষ্টি কৰা হোৱা নাই। তদুপৰি ধাৰা ৪২ ৰ পৰ্যাপ্ত পৰিমাণে মানি চলা হৈছে নে নাই এই তথ্যগত প্ৰশ্নটোৰ সিদ্ধান্ত প্ৰত্যেকটো বিচাৰতে কৰা হয়।

১৪] এনডিপিএছ্ আইনৰ ধাৰা ৫৭ ৰ বিধানসমূহ মানি চলাৰ ক্ষেত্ৰত, পূৰ্বে ইংগিত দিয়াৰ দৰে, এই আদালতে ৰায় দিছে যে এই ধাৰাটো বাধ্যতামূলক নাছিল আৰু যিয়েই নহওক কিয়, আবেদনকাৰীৰ গ্ৰেপ্তাৰৰ তথ্য আৰু নিষিদ্ধ সামগ্ৰী জব্দ কৰাৰ বিষয়ে স্থানীয় আৰক্ষী থানাত যথাযথভাৱে জনোৱা হৈছিল যাৰ ভিত্তিত প্ৰথম তথ্য প্ৰতিবেদন প্ৰস্তুত কৰা হৈছিল।

১৫]  জব্দ কৰা আফিং সন্দৰ্ভত যি যুক্তি আগবঢ়োৱা হ'ল সেই সন্দৰ্ভত আমাৰ মতামত এইয়ে যে নিষিদ্ধ সামগ্ৰীখিনি আবেদনকাৰীৰ জ্ঞাত দখলত বিচাৰি পোৱা নাই বুলি কোৱাটো সঠিক নহ'ব, এই লক্ষণীয় তথ্যটোৰ কাৰণে যে ছটা বেগ যাৰ প্ৰতিটোতে ৩২ কিলোগ্ৰাম আফিং আছে সেইখিনি কেৱল আৱেদনকাৰীৰ ঘৰৰ পৰা জব্দ কৰাই নহয় লগতে সেই কোঠাটোৰ পৰাও যিটো আৱেদনকাৰীয়ে নিজৰ দখলত থকা চাবিৰে খুলিছিল৷

১৬]  আমি, সেই অনুসৰি, বিশেষ অনুমতি আবেদন খনৰ কোনো গুণাগুন  বিচাৰি নাপাওঁ, আৰু আবেদনখন খাৰিজ কৰা হয়৷

বিশেষ অনুমতি আবেদনখন খাৰিজ কৰা হ'ল।

---

*Translated from English to Assamese by: Monalisa Deka*

*Verified  & corrected by: Partha Pratim Goswami*

*Chief Translator, Translation Wing, Gauhati High Court*